# ইচ্ছা-পত্ৰৰ বিষয়ে সঘনে সোধা প্ৰশ্ন

**প্ৰশ্ন ১- ইচ্ছা-পত্ৰ মানে কি?**

**উত্তৰ**- ইচ্ছা পত্ৰ হ'ল কোনো এজন ব্যক্তিৰ, দুজন সাক্ষীৰ উপস্থিতিত লিখা বৰ্ণনা যত তেঁও তেঁওৰ মৃত্যুৰ পিছত পৰিয়াল, সম্বন্ধীয় লোক,বাহিৰা লোক,দান-দক্ষিনা আদিৰ মাজত তেঁওৰ ধন-সম্পত্তি ভাগ-বাটোৱাৰা ইত্যাদিৰ বিষয়ে ইচ্ছা প্ৰকাশ কৰে।

**প্ৰশ্ন ২-ইচ্ছা-পত্ৰ বনোৱাৰ উপকাৰিতা কি?**

**উত্তৰ**- ইচ্ছা-পত্ৰ বনালে এজন ব্যক্তি নিশ্চিত হব পাৰে যে মৃত্যু পিছত তেঁওৰ ধন-সম্পত্তিবোৰ কোনো আইনী অসুবিধা নোহোৱাকৈ তেঁওৰ ইচ্ছা মতে পৰিয়ালৰ মাজত ভাগ হয় অথবা দিহা লাগে। ইচ্ছা-পত্ৰৰ দ্বাৰা তেঁও নিশ্চিত কৰিব পাৰিব যে তেঁওৰ ইচ্ছা মতে কোনো সম্বন্ধীয় লোক বা উত্তৰাধিকাৰীয়ে সঠিক ভাগ পায়। কোনো এজনক সম্পত্তিৰ ভাগ দিয়াৰ মন নাথাকিলেও ইচ্ছা-পত্ৰ একমাত্ৰ নিৰ্ভৰশীল উপায়। উহাহৰন- কোনোৱে অঙ্গ দান কৰিব মন কৰিলে, পত্নিক ফ্লেট দান কৰিব বিচাৰিলে, কোনো এজনে পুত্ৰ বা কন্যাক কম-বেছি ভাগ দিব বিচাৰিলে, মাক-দেউতাকক অথবা যত্নলঁওতা বা বন্ধুক কিবা অংশ দিব বিচাৰিলে ইত্যাদি ইচ্ছাবোৰ ইচ্ছা-পত্ৰই সামৰি লয় আৰু ইয়াক পৰিয়াল, সম্বন্ধীয়,সকলো আইন, উচ্চতম নায়্যালয়কে আদি কৰি সকলো ন্যায়ালয়ে মানি লবলৈ বাধ্য ।

**প্ৰশ্ন ৩-মই ইচ্ছা-পত্ৰ নবনালে কি হব?**

**উত্তৰ**- ব্যক্তি এজনৰ ইচ্ছা-পত্ৰ প্ৰস্তুত অবিহনে মৃত্যু হ'লে সকলো ধন-সম্পত্তি, আচবাৱ-পত্ৰ তেঁওৰ ওপৰত খটা উত্তৰাধিকাৰী আইন মতে ভাগ হব যেনে হিন্দু উত্তৰাধিকাৰী আইন। এই ক্ষেত্ৰত জনা ভাল যে এনে আইনবোৰত সম্পত্তি, ভাগ কৰাৰ নিৰ্দিষ্ট অনুপাত থাকে যি ব্যক্তিজনৰ ইচ্ছা মতে নহবও পাৰে। সম্পত্তি, ভাগ-বটোৱাৰা কৰাত নানা পলম হব পাৰে আৰু বহু সময়ত মোকৰ্দম্মা, মাক-পুতেক,ভাই-ককাই,বাই-ভনী ইত্যাদিৰ মাজত কাজিয়া-পেছাল আদিও হব পাৰে।

**প্ৰশ্ন ৪-ইচ্ছা-পত্ৰ কোনে বনাব লাগে ?**

**উত্তৰ-** সুস্থ মগজুৰ অৰ্থাৎ নিজে কৰা কাম বুজিবলৈ ক্ষমতা থকা আৰু আৰু অৰুচিত প্ৰভাৱ পৰা মুক্ত থকা,১৮ বছৰ বয়নতকৈ বেছি যিকোনো ব্যক্তিয়ে ইচ্ছা-পত্ৰ বনাব পাৰে ।

**প্ৰশ্ন ৫- বাধকতালৈ নৰই যিকোনো বয়সত কিয় ইচ্ছা-পত্ৰ বনাই লব লাগে?**

**উত্তৰ-** হয়, মানুহবোৰে ১৮ বছৰ বয়সৰ পিছত যিকোনো বয়সত ইচ্ছা-পত্ৰ বনাই লব লাগে যিহেতু আজিৰ অনিশ্চয়তাৰ যুগত দুৰ্ঘটনা,হৃদৰোগ, উগ্ৰপন্থীৰ আক্ৰমনত অসময়ত ঢুকোৱা সাধাৰণ কথা হৈ পৰিছে , সেয়েহে বহু লোকে ২৫ বছৰ বয়সৰ পৰাই বীমা কৰাই লয়। অসময়ত মৃত্যুৰ ক্ষেত্ৰত পৰিয়ালৰ আৰ্থিক সহায় হবলৈ কম বয়সত বীমা কৰাব পাৰিলে, বীমা-দাবি বা আন সম্পত্তি-আচবাৱ ভাগ কেনেকৈ কৰিব লাগিব তাক নিৰ্দেশ দিবলৈ ইচ্ছা-পত্ৰও বনাব পাৰি। সেয়েহে, ১৮ বছৰ বয়সৰ ওপৰৰ সকলোৱে ইচ্ছা-পত্ৰ বনাই লব লাগে।

**প্ৰশ্ন ৫-** ইচ্ছা-পত্ৰ **কেনেকৈ বনাব লাগে?**

**উত্তৰ** -ইচ্ছা-পত্ৰ হাতে-লিখা অথবা ছপা কবা হব পাৰে, ছপা ইচ্ছা-পত্ৰক অগ্ৰাধিকাৰ দিয়া হয়। দলিলৰ প্ৰয়োজন নাই, সেয়ে সাধাৰণ কাগজ হব পাৰে।ইচ্ছা-পত্ৰ যিকোনো ভাষাত হব পাৰে যি বনাঁওতাই বুজি পায়। ইচ্ছা-পত্ৰখনত অতি কমেও পৰিয়ালৰ, সম্পত্তি-আচবাৱৰ, আপোনাৰ দায়িত্ব, আপোনাৰ ইচ্ছা, আপোনাৰ সম্পত্তি ভাগ কৰাৰ ইচ্ছা, দুজন সাক্ষীৰ নাম, চহী কৰীৰ তাৰিখ আৰু স্থান আৰু গোটেইকেইখন পৃষ্ঠাত ইচ্ছা-পত্ৰ বনোৱা বক্তিজনৰ আৰু সাক্ষীদুজনৰ চহী থাকিব লাগিব.

LegalJini
At your command



**প্ৰশ্ন ৬- মৌখিক ইচ্ছা-পত্ৰ কেতিয়া বনাব পাৰি?**

**উত্তৰ** -ইয়াক বিশেষ **ইচ্ছা** -পত্ৰ বোলা হয় য়াৰ অনুমতি সেনাবাহিনীৰ চিপাহী, বায়ুসেনানী, অথবা নৌসেনানীৰহে আছে। কিছু মুছলিম লোকেও মৌখিক ইচ্ছা-পত্ৰ বনাব পাৰে।

**প্ৰশ্ন ৮ -ভিন্ন ধৰ্মৰ বাবে আইন ভিন্ন নেকি?**

**উত্তৰ** -হয়, উত্তৰাধিকাৰি আইন মতে মৃতকৰ ধৰ্ম অনুসৰি বেলেগ বেলেগ আইন খটাব পাৰি। উদাহৰন- হিন্দু লোকৰ বাবে হিন্দু উত্তৰাধিকাৰী আইন(hindu succession laws) ,পাৰ্চী আৰু খ্ৰীষ্টধৰ্মৰ বাবে ভাৰতীয় উত্তৰাধিকাৰী আইন (Indian succession laws) মুছলিমৰ বাবে শ্বৰিয়তী আইন (চিয়া,চুন্নি, খুজা ইতাদিৰ বাবে বেলেগ নিয়ম)।

**প্ৰশ্ন ৯-ইচ্ছা-পত্ৰৰ সাক্ষীৰ বাবে কি নিয়ম আছে?**

**উত্তৰ** - নিয়ম মতে ই- ইচ্ছা-পত্ৰ এখনত দুজন সাক্ষীৰ উপস্থিতিত চহী কৰিব লাগে। সাক্ষী দুজনে ইচ্ছা-পত্ৰত থকা কথাখিনি পঢ়াটো আবশ্যক নহয়, তেঁওলোকে মাথোন নিশ্চিত কৰিব লাগে যে ইচ্ছা-পত্ৰ খন তেঁওলোকৰ উপস্থিতিত চহী কৰা হৈছে। নিয়ম মতে, আদালতে সাক্ষীকেইজনক **ইচ্ছা**-পত্ৰখনৰ নায্যতা আৰু আচল- নকল বিষয়ে সোধ-পোচ কৰিব পাৰে। আজিৰ যুগত চহী কৰা ঘটনাটোৰ ভিডিঅ-ৰেকৰ্ডিং কৰাই ইচ্ছা-পত্ৰখনৰ লগত যত্নেৰে ৰখা উচিত যাতে প্ৰয়োজন হলে প্ৰমান হিচাপে ব্যৱহাৰ কৰিব পাৰে।

**প্ৰশ্ন ১০- তদাৰক-কৰোতা কোন হয় , ইচ্ছা-পত্ৰৰ বাবে তদাৰক-কৰোতা এজন নিযুক্ত কৰাটো বাধতামূলক নেকি?**

**উত্তৰ** - তদাৰক-কৰোতা হ'ল **ইচ্ছা**-পত্ৰ বনাওঁতাই তেঁওৰ ইছ্ছা অনুসৰি কাম কৰিবলৈ ক্ষমতা দিয়া লোক। কোনো ব্যক্তি যি **ইচ্ছা**-পত্ৰৰ দ্বাৰা উপকৃত, কোনো নিৰ্ভৰযোগ্য পৰিয়ালৰ বন্ধু বা উকীল বা চি.এ. যি পৰিয়ালৰ মানুহক ইচ্ছা-পত্ৰৰ মতে সহায় কৰিব পাৰে, সি তদাৰক-কৰোতা হব পাৰে। যদিও তদাৰক-কৰোতা এজন নিযুক্ত কৰাটো বাধ্যতামূলক নহয় তথাপি নিযুক্ত কৰাটো ভাল।

**প্ৰশ্ন ১১- ইচ্ছা-পত্ৰখন নটেৰীৰ দ্বাৰা চহী কৰোৱা বা পন্জীয়ন কৰোৱাটো বাধতামূলক নেকি?ইয়াৰ লাভ কি?**

**উত্তৰ** - নহয়, **ইচ্ছা**-পত্ৰখন নটেৰীৰ দ্বাৰা চহী কৰোৱা বা পন্জীয়ন কৰোৱাটো বাধ্যতামূলক নহয়। কিন্তু **ইচ্ছা**-পত্ৰখন কাৰ্যকাৰী হোৱাৰ পিছত সেইখন উপ-চিৰস্তাদাবৰ কাৰ্য়ালয়ত প্ৰায় বিনামূলিয়াকৈ পন্জীয়ন কৰাই লব পাৰি। যদি **ইচ্ছা**-পত্ৰখন পন্জীয়ন কৰা হয় অৰ্থাৎ বনাওঁতা আৰু সাক্ষী সু-শৰীৰে উপ-চিৰস্তাদাব অৰ্থাৎ উপ- পন্জীয়কৰ উপস্থিতিত পন্জীয়ন কৰা হয় তেন্তে তাৰ শুদ্ধতাক লৈ পৰিয়াল-পৰিজনৰ মাজত বিবাদ হোৱাৰ সম্ভাৱনা নাথাকে। ইচ্ছা-পত্ৰ পন্জীয়ন কৰিবলৈ বনাওঁতাজনে দুজন সাক্ষীৰ (**ইচ্ছা**-পত্ৰত চহী থকা একে সাক্ষী নহলেও হয় ) লগত আচল ইচ্ছা-পত্ৰ, নকৈ বনোবা এম.বি.বি.এচ ডাক্তৰৰ দ্বাৰা পোৱা মানসিক সুস্হতাৰ প্ৰমানপত্ৰ আৰু ঠিকনাৰ প্ৰমান লৈ যাব লাগে।.

**প্ৰশ্ন ১২- ইচ্ছা-পত্ৰত কি সম্পত্তি, আচবাব উল্লেখ কৰিব পাৰি?**

**উত্তৰ** - গাইগুটীয়া বা যুটীয়া সম্পত্তি, ধণ ,আচবাব,দেনা-পাওনা, স্হাৱৰ-অস্হাৱৰ আৰু অসাৰ সম্পত্তি-আচবাব উল্লেখ কৰা উচিত। অস্হাৱৰ সম্পত্তিত টকা,গহণা,FDS, বেংক-একাউন্ট,বিমা পলিচি,গাড়ী,ফাৰ্ণিচাৰ ইত্যাদি পৰিব।স্হাৱৰ সম্পত্তিত মাটি,ঘৰ,ফ্লেট,দোকান,কাৰ্য্যালয়,ভূমি,গেৰেজ ইত্যাদি পৰিব।

**প্ৰশ্ন ১৩- ইচ্ছা-পত্ৰত যুটীয়া সম্পত্তি উল্লেখ কৰিব পাৰি নে?**

**উত্তৰ** -হয়, যুটীয়া সম্পত্তিৰ মালিকে **ইচ্ছা**-পত্ৰত তেওঁৰ ভাগটোৰ বিষয়ে নিজৰ **ইচ্ছা** ব্যক্ত কৰিব পাৰে। অপ্ৰয়োজনীয অসুবিধা নহ'বলৈ যুটীয়া সম্পত্তিবোৰৰ বিষয়ে উল্লেখ কৰা উচিত।

**প্ৰশ্ন ১৪- মনোনীত সম্পত্তিবোৰ ইচ্ছা-পত্ৰত উল্লেখ কৰিব পাৰি নে?**

**উত্তৰ** -হয়, আইন মতে 'মনোনয়ন' হৈছে মালিকৰ মৃত্যুত মনোনীত ব্যক্তিৰ দ্বাৰা সম্পত্তি দাবি কৰিব পৰা সুবিধা। এইটো ক্ষন্তেকীয়া সময়ৰ বাবে কৰা ব্যৱস্থা যেতিয়ালৈকে আইনী উত্তৰাধিকাৰী স্থাপন নহয়। তাৰপিছত মনোনীত ব্যক্তিয়ে উত্তৰাধিকাৰীজনক সম্পত্তিখিনি হস্তান্তৰ কৰি দিব লাগে। মনোনীত ব্যক্তিজন আইনী উত্তৰাধিকাৰী হ'ব পাৰে। তথাপিও কিবা গত্যন্তৰ থাকিলে **ইচ্ছা**-পত্ৰখনত স্পষ্ট কৰি দিব লাগে।

**প্ৰশ্ন ১৫- ভাড়াত লোৱা সম্পত্তি বা ৰায়তৰ-স্বত্বৰ অধিকাৰ ইচ্ছা-পত্ৰত উল্লেখ কৰিব পাৰি নেকি?**

**উত্তৰ** -ভাড়াত লোৱা সম্পত্তি বা ৰায়তৰ-স্বত্বৰ অধিকাৰ সম্পত্তি নহয় সেয়ে **ইচ্ছা**-পত্ৰত উল্লেখ কৰিব নোৱাৰি.।

**প্ৰশ্ন ১৬- ইচ্ছা-পত্ৰত পট্টাৰ অধিকাৰ উল্লেখ কৰিব পাৰি নেকি?**

**উত্তৰ** -হয়, **ইচ্ছা**-পত্ৰত পট্টাৰ অধিকাৰ উল্লেখ কৰিব পাৰি।

**প্ৰশ্ন ১৭- পৈতৃক সম্পত্তি বা আইনী উত্তৰাধিকাৰী হিচাপে পোৱা সম্পত্তি ইচ্ছা-পত্ৰৰ দ্বাৰা ভাগ কৰিব পাৰি নে?**

**উত্তৰ**- পৈতৃক সম্পত্তি য'ত আইনৰ ম'তে উপাধি/স্বত্বাধিকাৰ হস্তান্তৰ কৰা হৈছে তাক **ইচ্ছা**-পত্ৰত উল্লেখ কৰিব পাৰি।

**প্ৰশ্ন ১৮- কোনো প্ৰতিষ্ঠান বা কোমপানীৰ ব্যবসায় ইচ্ছা-পত্ৰত ভগাব পাৰি নেকি?**

**উত্তৰ** -হয়, কোনো প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰ বা কোমপানীত থকা ভাগ **ইচ্ছা**-পত্ৰৰ দ্বাৰা ভগাব পাৰি। যুটিয়া কাৰবাৰৰ অংশীদাৰৰ ভাগটো অংশীদাৰী পত্ৰৰ মতেহে ভাগ কৰিব পাৰি।

**প্ৰশ্ন ১৯- হিন্দু অবিভক্ত পৰিয়াল( Hindu undivided family)ৰ অংশ ইচ্ছা-পত্ৰত ভগাব পাৰি নেকি?**

**উত্তৰ** - নাই, HUFৰ অংশ **ইচ্ছা**-পত্ৰত ভগাব নোৱাৰি।

**প্ৰশ্ন ২০- আন কি সম্পত্তি ইচ্ছা-পত্ৰত ভাগ কৰিব পাৰি ?**

**উত্তৰ** - নিজৰ পোহনীয়া জন্তু, চিত্ৰশিল্প, পুনণি মূল্যবান বস্তু, বৈদুতিক বস্তু-পাতি, বৌদ্ধিক সম্পত্তি যেনে ট্ৰেডমাৰ্ক,পেটেন্ট, গ্ৰন্থকাৰৰ স্বত্ব,অনুমতি পত্ৰ( লাইচেন্চ), চ'চিয়েল মিডিয়া একাউন্ট, ব্যক্তিগত আচবাব, কিতাপ-পত্ৰ ইত্যাদি **ইচ্ছা**-পত্ৰৰ দ্বাৰা দিব পৰা যায়।

**প্ৰশ্ন ২১- নাবালক শিশুক কেনেকৈ সুৰক্ষা দিয়া হয়?**

**উত্তৰ -ইচ্ছা**-পত্ৰৰ দ্বাৰা উপকৃত হ'ব লগা নাবালক শিশুৰ বাবে অভিভাৱক মনোনয়ন কৰিব পাৰি। এই অভিভাৱকৰ ওপৰত নাবালক শিশুটি আৰু তেওঁৰ ভাগৰ সম্পত্তি চোৱা-চিতা কৰা অথবা সুৰক্ষিত কৰি ৰখাৰ দায়িত্ব থাকিব। বহু সময়ত উত্তৰাধিকাৰী, বন্ধু-বান্ধৱ, সম্বন্ধীয় লোক বা দান-দক্ষিণাৰ সুবিধাৰ্থে **ইচ্ছা**-পত্ৰৰ দ্বাৰা ট্ৰাষ্ট বনোৱা দেখা যায়।

**প্ৰশ্ন ২২- -ইচ্ছা-পত্ৰত উল্লেখ কৰিবলৈ থাকি য়োৱা বা পাহৰি য়োৱা বা ভৱিষ্যতে ক্ৰয় কৰা আচবাববোৰ কি কৰা যায়?**

**উত্তৰ** - বাকি থকা সম্পত্তি/আচবাববোৰ (যিকোনো/**ইচ্ছা**পত্ৰত উল্লেখ নথকা) সাধাৰণ দফা এটাত উল্লেখ কৰিব পাৰি য'ত কোৱা হয় বাকী থকা বস্তুবোৰ কাক দিয়া হ'ব আৰু আন এক সাধাৰণ দফাত ভৱিষ্যতে ক্ৰয় কৰা বস্তুবোৰো উল্লেখ কৰিব পাৰি।

**প্ৰশ্ন ২৩- -ইচ্ছা-পত্ৰ এখন ভৱিষ্যতে সাল-সলনি কৰিব পাৰি নে বা নতুন ইচ্ছা-পত্ৰ বনাব পাৰি নে?**

**উত্তৰ** -ব্যক্তি এজনে যিমানবাৰ মন যায় নতুন **ইচ্ছা**-পত্ৰ বনাব পাৰে নহ'লে কেইটামান সোধৰণিৰ বাবে ক্ৰোড়পত্ৰ বা কডিচিল বনাব পাৰে অৰ্থাৎ আচল **ইচ্ছা**-পত্ৰখনৰ ওপৰঞ্চি পত্ৰ। কিন্তু সকলো **ইচ্ছা**-পত্ৰত উল্লেখ কৰা জৰুৰী যে

'এইখন শেষ **ইচ্ছা**-পত্ৰ আৰু ইয়াৰ আগত বনোৱা সকলো **ইচ্ছা**-পত্ৰ ৰদ বা বাতিল কৰা হ'ল 'য়িহেতু আইনমতে শেষ -**ইচ্ছা**-পত্ৰখনহে মানিব পাৰি।

**প্ৰশ্ন ২৪- -ইচ্ছা-পত্ৰ এখন ক'ত ৰাখিব পাৰি?**

**উত্তৰ** - আইনমতে **ইচ্ছা**-পত্ৰ এখন যিকোনো স্থানত ৰাখিব পাৰি। কিন্তু -**ইচ্ছা**পত্ৰ এখন সুৰক্ষিত স্থানত ৰখা উচিত য'ত কোনেও তাক বিনষ্ট কৰিব নোৱাৰে আৰু ব্যক্তিজনৰ মৃত্যুৰ পিছত পৰিয়ালৰ লোকে সহজে বিচাৰি পায়। **ইচ্ছা**-পত্ৰখন কোনো লকাৰৰ সুৰক্ষিত জিম্মাত বা বিশ্বাসযোগ্য ব্যক্তিৰ লগত বা উকিল বা বেংকাৰৰ লগত, যিয়ে আপোনাৰ মৃত্যুৰ পিছত উচিত পদক্ষেপ লৈ তদাৰক-কৰোতাক জাননী দিব, ৰাখিব পৰা যায়।

**প্ৰশ্ন ২৫- বিদেশত থকা সম্পত্তি ইচ্ছা-পত্ৰৰ দ্বাৰা ভগাব পাৰি নেকি?**

**উত্তৰ** - হয়, কিন্তু বিদেশত থকা সম্পত্তি সেই দেশৰ আইনমতে পৰিচালনা কৰা হয় আৰু **ইচ্ছা**-পত্ৰখন কাৰ্য্যকাৰী কৰিব পৰা ব্যৱস্থা ভাৰততকৈ বেলেগ হ'ব পাৰে। গতিকে দুখন **ইচ্ছা**-পত্ৰ বনোৱা উচিত, এখন ভাৰতত থকা সম্পত্তিক লৈ আৰু আনখন বিদেশৰ সম্পত্তিক লৈ। এনে **ইচ্ছা**-পত্ৰক কনকাৰেন্ট (সহগামী) **ইচ্ছা**-পত্ৰ কোৱা হয় আৰু যোগসূত্ৰ নাথাকিলে ভিন্ন **ইচ্ছা**-পত্ৰ বুলি ধৰা হয়।

**প্ৰশ্ন ২৬- পতি-পত্নীয়ে এখনমাত্ৰ যুটীয়া ইচ্ছা-পত্ৰ বনাব পাৰে নেকি?**

**উত্তৰ** - হয়,পতি-পত্নীয়ে এখন যুটীয়া **ইচ্ছা**-পত্ৰত এজনে আনজনক সম্পত্তি দিব পাৰে আৰু অৱশেষত পৰিয়াল-পৰিজনক সম্পত্তি ভগাব পাৰে। কিন্তু এনে **ইচ্ছা**-পত্ৰ দুজন স্বামী-স্ত্ৰীৰ মৃত্যুৰ পিছতহে কাৰ্য্যকাৰী হ'ব, কোনো এজন জীয়াই থাকিলে নহয়। বহুসময়ত পতি-পত্নীয়ে 'মিৰৰ উইল' অৰ্থাৎ 'আইনা-**ইচ্ছা**-পত্ৰ' বনোৱাই যি বেলেগ বেলগ **ইচ্ছা**-পত্ৰৰ দ্বাৰা এজনে আনজনক সকলো সম্পত্তি দি যায়।

**প্ৰশ্ন ২৭- ইচ্ছা-পত্ৰৰ দ্বাৰা কোন কোন হিতাধিকাৰী হ'ব পাৰে?**

**উত্তৰ** -যাক **ইচ্ছা**-পত্ৰৰ দ্বাৰা সম্পত্তি দিয়া হয় তাক হিতাধিকাৰী কোৱা হয় অৰ্থাৎ যাৰ **ইচ্ছা**-পত্ৰৰ দ্বাৰা হিত হয়।কোনো ব্যক্তি ,ট্ৰাষ্ট, দাতব্য প্ৰতিষ্ঠান,সমাজ ইত্যাদি হিতাধিকাৰী হ'ব পাৰে। **ইচ্ছা**-পত্ৰৰ দ্বাৰা আপোনাৰ পৰিয়ালৰ সদস্য,সম্বন্ধীয় লোক,বন্ধু-বান্ধৱ,চাকৰ ইত্যাদি হিতাধিকাৰী হ'ব পাৰে নহ'লে আপোনাৰ সম্পত্তি দান হিচাপেও দিব পাৰে। অৱশ্যে আপোনাৰ আত্মীয় থকা স্বত্বে আপুনি সকলো সম্পত্তি দান দি দিব বিচাৰে তেন্তে আইনৰ কিছু নিয়ম মানিহে তেনে কৰিব পাৰিব। ইয়াৰ ব্যতিক্ৰম পাৰ্চীসকল, যি নিজৰ সকলো সম্পত্তি দান দি দিব পাৰে।

**প্ৰশ্ন ২৮- আইনগত উত্তৰাধিকাৰী কোন হ'ব পাৰে?**

**উত্তৰ** -এজন ব্যক্তি, পুৰুষ বা মহিলা , যি প্ৰয়োগ হ'ব লগা উত্তৰাধিকাৰী আইনমতে মৃত ব্যক্তি এজনৰ সম্পত্তি অধিকাৰ কৰিব পৰা যোগ্য , তাক আইনগত উত্তৰাধিকাৰী বোলা যায়। হিন্দু উত্তৰাধিকাৰী আইন (hindu succession laws)ৰ মতে, যদি কোনো **ইচ্ছা**-পত্ৰ নাই, তেন্তে সকলো সম্পত্তি প্ৰথম শ্ৰেণীৰ উত্তৰাধিকাৰীক সমানে ভাগ কৰি দিয়া হ'ব, প্ৰথম শ্ৰেণীৰ উত্তৰাধিকাৰী নাথাকিলে দ্বিতীয় শ্ৰেণীৰ উত্তৰাধিকাৰীক সমানে ভাগ কৰি দিয়া হ'ব। যদি তেনে নহয়, তেন্তে দেউতাকৰ ফালৰ সম্বন্ধীয়ক আৰু অৱশেষত মাতৃপক্ষৰ সম্বন্ধীয়ক দিয়া হয়। যদি কোনো নাথাকে তেন্তে চৰকাৰে সম্পত্তিখিনি লৈ লব পাৰে।

**প্ৰশ্ন ২৯- ইচ্ছা-পত্ৰ কেতিয়া আৰু কেনেকৈ ৰদ কৰা হয়?**

**উত্তৰ**- **ইচ্ছা**-পত্ৰ এখন য়িকোনো সময়ত,নহ'লে নতুন এখন **ইচ্ছা**-পত্ৰ বনাই, ৰদ বা বাতিল কৰিব পাৰি.। নতুন এখন **ইচ্ছা**-পত্ৰ বনালে পুৰণিখন আপোনা-আপুনি ৰদ হৈ যায়। **ইচ্ছা**-পত্ৰ এখন তলত দিয়া পদ্ধতিৰে বাতিল কৰিব পাৰি-

১.পৰবৰ্তি **ইচ্ছা**-পত্ৰ এখন কাৰ্য্যত পৰিণত কৰি,

২.**ইচ্ছা**-পত্ৰখন বাতিল কৰিবলৈ লিখিত ভাৱে জনাজাত কৰি,

৩.**ইচ্ছা**-পত্ৰখন জলাই,ফালি বা নষ্ট কৰি।

**প্ৰশ্ন ৩০- মই বা মোৰ উত্তৰাধিকাৰীয়ে ইচ্ছা-পত্ৰত অন্তৰ্ভূক্ত সম্পত্তিৰ বাবে আয়কৰ (income tax) ভৰিব লাগিব নেকি?**

**উত্তৰ**- নাই, এতিয়ালৈকে **ইচ্ছা**-পত্ৰত অন্তৰ্ভূক্ত সম্পত্তিৰ বাবে আয়কৰ দিব নালাগে,ইয়াত মূলধণত লাভৰ ওপৰত দিয়া কৰো সোমাই পৰে।আগতে জমিদাৰী শুল্ক কৰ দিব লাগিছিল,এতিয়া উঠাই দিয়া হ'ল।

**প্ৰশ্ন ৩১- মুছলিম সকলৰ বাবে বিশেষ ব্যবস্থা কি কি?**

**উত্তৰ**- মুছলিম সকল **ইচ্ছা**-পত্ৰৰ আৰু উত্তৰাধিকাৰীৰ ক্ষেত্ৰত Muslim personal lawsৰ দ্বাৰা পৰিচালিত হয়। সাধাৰণ Indian succession laws কিছুক্ষেত্ৰতহে তেওঁলোকৰ ওপৰত প্ৰযোয্য। সাধাৰণতে, মুছলিম সকলে নিজৰ সম্পত্তিৰতিনিভাগৰ এভাগৰ বাবেহে **ইচ্ছা**-পত্ৰ বনাব পাৰে। বাকী সম্পত্তি শ্বৰীয়তী আইন মতেহে ভাগ হয়।

**প্ৰশ্ন ৩২- খ্ৰীষ্টধৰ্মী আৰু পাৰ্চীসকলৰ ক্ষেত্ৰত কি কি আয়োজন কৰা হৈছে?**

**উত্তৰ**- খ্ৰীষ্টধৰ্মী আৰু পাৰ্চীসকলৰ ক্ষেত্ৰত বিয়াৰ সময়ত **ইচ্ছা**-পত্ৰ বাতিল হৈ যায়। পাৰ্চীলোক সকলে **ইচ্ছা**-পত্ৰৰ দ্বাৰা নিজৰ সকলো সম্পত্তি দান কৰি দিব পাৰে।

**প্ৰশ্ন ৩৩- প্ৰবেট (দানপত্ৰ প্ৰমান) কি? সকলো ইচ্ছা-পত্ৰৰ বাবে ই জৰুৰী নেকি?**

**উত্তৰ**- প্ৰবেট বা দানপত্ৰ প্ৰমান কৰ্টে জাৰী কৰা এখন আইনী প্ৰমানপত্ৰ য'ত শেষৰ **ইচ্ছা**-পত্ৰখনৰ আইনীসন্ধৰ প্ৰমান থাকে। তদাৰক-কৰোতাই প্ৰবেটৰ বাবে কৰ্টত আৰ্জি দিব পাৰে। কৰ্টে প্ৰবেট জাৰি কৰিলে বা **ইচ্ছা**-পত্ৰৰ প্ৰমান-পত্ৰ দিলে তদাৰক-কৰোতাই প্ৰয়োজন সাপেক্ষে **ইচ্ছা**-পত্ৰখন বলবৎ কৰাৰ ব্যবস্থা ল'ব পাৰে। প্ৰবেট বাধ্যতামূলক নহয়, কিন্তু যেতিয়া বহু স্থাৱৰ সম্পত্তি বা বহুমূল্যবান আচবাব থাকে, ভৱিষ্যতে বাদ-বিবাদ নহ'বলৈ মালিক সলনি হোৱাৰ আগতেই প্ৰবেট লোৱাত জোৰ দিয়া হয়।

**প্ৰশ্ন ৩৪- ইচ্ছা-পত্ৰ নথকা ক্ষেত্ৰত উত্তৰাধিকাৰী কেনেকৈ ঠিক কৰা হয়?**

**উত্তৰ- ইচ্ছা**-পত্ৰ নথকা ক্ষেত্ৰত, যদি অকল অস্থাৱৰ সম্পত্তি থাকে কৰ্টৰ পৰা succession certificate ল'ব পৰা যায়. যদি মৃতকৰ স্থাৱৰ সম্পত্তিও থাকে, তেনে ক্ষেত্ৰত কৰ্টৰ পৰা 'পৰিচালনা পত্ৰ'( letter of administration) ল'ব পাৰে।

**প্ৰশ্ন ৩৫- হিতাধিকাৰী আৰু মনোনীত ব্যক্তিৰ মাজত পাৰ্থক্য কি?**

**উত্তৰ**- মনোনীত ব্যক্তিৰ ওপৰত সম্পত্তিৰ জিম্মা হে থাকে- প্ৰয়োজন হ'লে সেই দায়িত্ব তেওঁ উত্তৰাধিকাৰীক হস্তান্তৰ কৰি দিব লাগে। হিতাধিকাৰীয়ে **ইচ্ছা**-পত্ৰমতে সম্পত্তিখিনি নিজাববীয়াকৈ পায়।

**প্ৰশ্ন ৩৬- ইচ্ছা-পত্ৰৰমতে সম্পত্তিৰ ভাগ কেতিয়া হয়?**

**উত্তৰ**- বনাওঁতাৰ মৃত্যুৰ পিছতহে **ইচ্ছা**-পত্ৰৰমতে সম্পত্তিৰ ভাগ হয়।

**প্ৰশ্ন ৩৭- ইচ্ছা-পত্ৰ বনাবলৈ উকীলৰ সহায় ল'ব লাগে নেকি?**

**উত্তৰ**- নাই, সাধাৰণতে **ইচ্ছা**-পত্ৰ এখন ব্যক্তি এজনে প্ৰয়োজনীয় সতৰ্কতা লৈ নিজে বনাব পাৰে। কিন্তু শব্দবোৰ সাৱধানে ব্যৱহাৰ কৰিব লাগে যাতে কোনো কথা অস্পষ্ট বা পৰস্পৰ বিপৰীত হৈ পিছত অপ্ৰয়োজনীয় ভূল বুজা-বুজি বা পৰিয়ালৰ মাজত কাজিয়া সৃষ্টি নহয়।